# 10th East Asia Summit Foreign Ministers' Meeting

September 09, 2020

---

# দশম পূৱ এচীয় শীৰ্ষ সন্মিলনৰ বৈদেশিক মন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 09, 2020

1. ছেপ্টেম্বৰ 09, 2020 তাৰিখে ভাৰতৰ বৈদেশিক পৰিক্ৰমাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী ভি. মুৰলীধৰণে দশম পূৱ এচীয় শীৰ্ষ সন্মিলনৰ বৈদেশিক মন্ত্ৰীৰ বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠক ভিডিঅ' কনফাৰেন্সৰ যোগে অনুষ্ঠিত হয়।

2. এই বৈঠকত পূৱ এচীয় শীৰ্ষ সন্মিলনৰ অংশগ্ৰহণকাৰী দেশসমূহৰ বৈদেশিক মন্ত্ৰীসকল উপস্থিত থাকে আৰু ভিয়েটনামৰ সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী মি. ফাম বিন মিনে অধ্যক্ষতা কৰে।

3. এই বৈঠকত নেতৃবৃন্দসকলৰ দ্বাৰা নিয়ন্ত্ৰিত পূব-এচীয় মঞ্চক শক্তিশালী কৰাৰ আৰু এই মঞ্চৰ ১৫তম বাৰ্ষিকীত নতুনকৈ উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ প্ৰতি অধিক প্ৰতিক্ৰিয়াশীল কৰাৰ বিভিন্ন উপায় আৰু সমিধানসমূহ আলোচনা কৰা হয়। উপস্থিত মন্ত্ৰীসকলে সাম্প্ৰতিক আঞ্চলিক আৰু আন্তৰ্জাতিক বিকাশৰ লগতে ক'ভিড-19 মহামাৰী আৰু এই সংকটৰ পৰা দ্ৰুত গতিত আৰু সফলতাৰে পৰিত্ৰাণ পোৱাৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ে মতামত বিনিময় কৰে। এই বৈঠকে পূব এচীয় শীৰ্ষ সন্মিলনৰ পৰিগাঁথনিৰ অধীনত অংশগ্ৰহণকাৰী দেশসমূহৰ দায়বদ্ধতা আৰু পূব এচীয় শীৰ্ষ সন্মিলনৰ নেতৃবৃন্দই 2012 চনত গৃহীত কৰা উন্নয়নমূলক প্ৰচেষ্টাৰ ক্ষেত্ৰত, ফনম পেন ডিক্লেৰেচন সম্পাদন কৰিবৰ বাবে মেনিলা কাৰ্য পৰিকল্পনা (2018-2022) ৰূপায়ণৰ অগ্ৰগতিৰ পুনৰালোচনা কৰে। নৱেম্বৰ 2020ত অনুষ্ঠিত হ'বলগীয়া আসন্ন ১৫তম পূব এচীয় শীৰ্ষ সন্মিলনৰ প্ৰস্তুতিসমূহো এই বৈঠকতে আলোচনা কৰা হয়।

৪. ভাৰতৰ ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে তেওঁৰ মন্তব্যত, আচিয়ান চেয়াৰ ৰূপে ক'ভিড-19 মহামাৰীৰ এই কঠিন আৰু অনিশ্চয়তাৰ সময়ছোৱাত 'এক একত্ৰিত আৰু প্ৰতিক্ৰিয়াশীল আচিয়ান'ৰ প্ৰতি অহৰহ নেতৃত্ব প্ৰদান কৰাৰ বাবে ভিয়েটনামৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁ ইণ্ডো-পেচিফিক অঞ্চলৰ এক নেতৃস্থানীয় শক্তিৰূপে পূব এচীয় শীৰ্ষ সন্মিলনে পালন কৰা ভূমিকাৰ কথা দোহাৰে আৰু ইয়াকো নিশ্চিত কৰে যে ভাৰতে এই সন্মিলনক অধিক শক্তিশালী আৰু প্ৰতিক্ৰিয়াশীল কৰিবৰ বাবে সহযোগিতা আগবঢ়াই যাব।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 9, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.